**সুৰ দাস আৰু অন্য এজন**

**-বনাম-**

**অৰুণাচল প্ৰদেশ কেন্দ্ৰীয় শাসিত অঞ্চল**

১৯৮৬ চনৰ ১০ মাৰ্চ

[মুখ্য ন্যায়াধীশ পি. এন. ভাগৱতী, ন্যায়াধীশ ডি. পি. মাডন আৰু ন্যায়াধীশ জি. এল. ওজা]

ভাৰতীয় সংবিধানৰ ২নং অনুচ্ছেদ- দৰিদ্ৰতাৰ বাবে অভিযুক্তৰ আইনী প্ৰতিনিধিত্ব কৰাৰ সামৰ্থ্য নাই- চৰকাৰৰ খৰচত তেওঁৰ এজন অধিবক্তা থাকিব পাৰে নে নাই সেই বিষয়ে অৱগত কৰাতো আদালতৰ কৰ্তব্য- চৰকাৰৰ খৰচত অভিযুক্তক আইনী প্ৰতিনিধিত্ব প্ৰদান নকৰাৰ প্ৰভাৱ- দোষী সাব্যস্তকৰণ প্ৰক্ৰিয়াৰ অনিষ্ঠসাধন কৰে নে।

আপীলকাৰী আৰু আন পাঁচজন অভিযুক্তৰ বিৰুদ্ধে ভাৰতীয় দণ্ডবিধিৰ ধাৰা ৫০৬ৰ সৈতে ধাৰা ৩৪ৰ অধীনত অতিৰিক্ত উপায়ুক্তৰ আদালত অপৰাধৰ অভিযোগ উত্থাপন কৰা হৈছিল যে, তেওঁলোকে কেন্দ্ৰীয় ৰাজহ বিভাগৰ এজন সহকাৰী অভিযন্তাক তেওঁ জাৰি কৰা বদলিৰ আদেশ ৰদ কৰিবলৈ ধমকি দিছিল। আপীলকাৰীক কোনো অধিবক্তাই প্ৰতিনিধিত্ব কৰা নাছিল যিহেতু, তেওঁ দৰিদ্ৰতাৰ বাবে আইনী প্ৰতিনিধিত্বৰ সামৰ্থ্য হেৰুৱাইছিল আৰু ফলস্বৰূপ, তেওঁ গোচৰীয়া পক্ষৰ কিছুমান সাক্ষীক জেৰা কৰিব পৰা নাছিল। বিচাৰৰ শেষত চাৰিজন অভিযুক্তক দোষমুক্ত কৰা হয় যদিও, আপীলকাৰী আৰু আন এজন অভিযুক্তক পূৰ্বতে উল্লেখ কৰা অপৰাধৰ বাবে

দোষী সাব্যস্ত কৰা হয় আৰু তেওঁক দুবছৰৰ বাবে কাৰাদণ্ডৰে দণ্ডিত কৰা হয়।

আপীলকাৰীয়ে উচ্চ ন্যায়ালয়ৰ সন্মুখত আপীল কৰে যে, তেওঁক প্ৰতিৰক্ষাৰ বাবে বিনামূলীয়া আইনী সাহায্য প্ৰদান কৰা হোৱা নাছিল আৰু সেয়েহে বিচাৰপ্ৰক্ৰিয়াৰ অনিষ্ঠসাধন হৈ পৰিছিল। উচ্চ ন্যায়ালয়ে আপীলকাৰীৰ দোষী সাব্যস্তকৰণ এই ভিত্তিত সমৰ্থন কৰে যে, তেওঁ অতিৰিক্ত উপায়ুক্তৰ আগত আইনী সাহায্যৰ বাবে কোনো আবেদন কৰা নাছিল আৰু সেয়েহে এই কথা ক'ব নোৱাৰি যে, আইনী সাহায্য প্ৰদান নোহোৱাৰ বাবেই বিচাৰপ্ৰক্ৰিয়াৰ অনিষ্ঠসাধন হৈছিল।

আপীলটো গ্ৰহণ কৰাৰ অনুমতি প্ৰদান কৰি

**উপস্থাপন কৰে**: (১) আপীলকাৰীৰ বিৰুদ্ধে নথিভূক্ত কৰা দোষী সাব্যস্তকৰণ আৰু শাস্তি বাতিল কৰা হয় আৰু বিদ্বান অতিৰিক্ত উপ-আয়ুক্তই দোষী সাব্যস্ত কৰাৰ ভিত্তিত আপীলকাৰীক চাকৰিৰ পৰা বৰ্খাস্ত কৰা নিৰ্দেশটোও বাতিল কৰিব লাগিব। [৫৯৭ চি]

(২)(১) এইটো নিৰ্ধাৰিত আইন যে, চৰকাৰী খৰচত বিনামূলীয়া আইনী সহায় হৈছে অপৰাধৰ অভিযোগত অভিযুক্ত এজন ব্যক্তিৰ এক মৌলিক অধিকাৰ, যি তেওঁৰ ব্যক্তিগত স্বাধীনতাৰ জীৱন বিপদাপন্ন কৰিব পাৰে আৰু এই মৌলিক অধিকাৰ অনুচ্ছেদ ২১ৰ দ্বাৰা নিৰ্ধাৰিত যুক্তিসংগত, নিৰপেক্ষ আৰু ন্যায়সংগত প্ৰক্ৰিয়াৰ প্ৰয়োজনীয়তাত অন্তৰ্ভুক্ত। অৱশ্যে, এইটো স্বীকাৰ কৰিব লাগিব যে, অৰ্থনৈতিক অপৰাধ বা পতিতাবৃত্তি বা শিশু নিৰ্যাতন নিষিদ্ধ কৰা আইনৰ বিৰুদ্ধে হোৱা অপৰাধৰ সৈতে জড়িত গোচৰ থাকিব পাৰে, য'ত সামাজিক ন্যায়ৰ বাবে ৰাজ্যই বিনামূলীয়া আইনী সেৱা প্ৰদান নকৰিব পাৰে। [৫৯৪ জি-এইচ]

**হুচাইনাৰা খাতুনৰ গোচৰ**, [১৯৭৯] ৩ এচ. চি. আৰ., ৫৩২ আৰু **এম. এইচ. হোস্কট বনাম মহাৰাষ্ট্ৰ ৰাজ্য** [১৯৭৮] ৩ এছ. চি. চি. ৫৪৪ অনুসৰণ কৰা হৈছিল।

(২) (ii) বিনামূলীয়া আইনী সেৱাৰ অধিকাৰ প্ৰতিজন অভিযুক্ত ব্যক্তিৰ সাংবিধানিক অধিকাৰ যিজনে দৰিদ্ৰতা, দুৰ্বলতা বা অসুৰক্ষিত পৰিস্থিতিৰ বাবে অধিবক্তাক নিয়োজিত কৰিব নোৱাৰে আৰু আইনী সেৱা লাভ কৰিব নোৱাৰে আৰু গোচৰটোৰ পৰিস্থিতি লগতে ন্যায়ৰ প্ৰয়োজনীয়তাৰ খাতিৰত ৰাজ্যচৰকাৰ, এজন অভিযুক্ত ব্যক্তিক অধিবক্তা প্ৰদান কৰাৰ আদেশৰ অধীনস্থ যদিহে, অভিযুক্ত ব্যক্তিয়ে এনে অধিবক্তা প্ৰদান ব্যৱস্থাৰ বিৰোধিতা নকৰে। যদি বিনামূলীয়া আইনী সেৱা বিচাৰিবলৈ এজন দৰিদ্ৰ অজ্ঞানী আৰু নিৰক্ষৰ অভিযুক্তৰ ওপৰত এৰি দিয়া হয় তেন্তে ই আইনী সাহায্যৰ উপহাস হ'ব। আইনী সাহায্য কেৱল কাগজৰ প্ৰতিশ্ৰুতিত পৰিণত হ'ব আৰু ই নিজৰ উদ্দেশ্য পূৰণ কৰাত ব্যৰ্থ হ'ব। [৫৯৪ ডি-এফ; ৫৯৫ জি]

**খত্ৰী আৰু অন্যান্য বনাম বিহাৰ ৰাজ্য আৰু অন্যান্য**, [১৯৮১] ২ এছ. চি. আৰ. ৪০৮ উল্লেখ কৰা হৈছে।

তাৎক্ষণিক গোচৰটোত, অতিৰিক্ত উপ-আয়ুক্তই আপীলকাৰীক তেওঁ বিনামূলীয়া আইনী সহায়ৰ অধিকাৰী বুলি অৱগত কৰা নাছিল বা তেওঁ আপীলকাৰীৰ পৰা চৰকাৰী খৰচত এজন অধিবক্তা বিচাৰিছিল নেকি বুলি সোধা-পোছা কৰা নাছিল। ফলস্বৰূপে, আপীলকাৰী অধিবক্তাৰ দ্বাৰা প্ৰতিনিধিত্বহীন হৈ আছিল আৰু বিচাৰৰ শেষত তেওঁক দোষী সাব্যস্ত কৰা হৈছিল। এইটো স্পষ্টভাৱে ২১নং অনুচ্ছেদৰ অধীনত আপীলকাৰীৰ মৌলিক অধিকাৰৰ উলংঘন আছিল আৰু সেয়েহে, এক মাৰাত্মক সাংবিধানিক

দুৰ্বলতাৰ বাবে বিচাৰ প্ৰক্ৰিয়াটো অসম্পূৰ্ণ বুলি গণ্য কৰা হ'ব, লগতে আপীলকাৰীৰ বিৰুদ্ধে লিপিবদ্ধ কৰা দোষী সাব্যস্তকৰণ আৰু শাস্তি বাতিল কৰিব লাগিব। [৫৯৬ এইচ; ৫৯৭ এ-বি]

[গোচৰটোৰ তথ্য আৰু পৰিস্থিতিত আদালতে নিৰ্দেশ দিছিল যে, আপীলকাৰীক সেৱাত পুনৰ নিযুক্তি দিয়া হ'ব, কিন্তু তেওঁ কোনো back wages (পূৰ্বৰ বকেয়া সহ) দাবী কৰাৰ অধিকাৰী নহ'ব আৰু তেওঁৰ বিৰুদ্ধে কোনো নতুন বিচাৰ অনুষ্ঠিত কৰা নহ'ব।] [৫৯৭ এফ-জি)

ফৌজদাৰী আপীলীয় ক্ষেত্ৰাধিকাৰ- ফৌজদাৰী আপীল নং ৭২৫/১৯৮৫।

গৌহাটী উচ্চ ন্যায়ালয়ৰ ক্ৰিমি. ৰিভিজন নং ২০৫/১৯৭৯-ত ০৯.০৮.৮৪তাৰিখৰ ৰায় আৰু আদেশত।

আপীলকাৰীৰ পক্ষত বিজয় হানচাৰিয়া আৰু এছ. কে. জৈন।

উত্তৰদাতাৰ পক্ষত আব্দুল খাদেৰ, জি. চন্দ্ৰ আৰু শ্ৰীমতী এ. সুভাশীনী।

আদালতৰ ৰায় **মুখ্য ন্যায়াধীশ ভাগৱতী**ৰ দ্বাৰা প্ৰদান কৰা হৈছিল। বিশেষ অনুমতিৰ দ্বাৰা কৰা এই আপীলটোৱে দেশত ফৌজদাৰী ন্যায় প্ৰশাসনৰ সৈতে সম্পৰ্কিত যথেষ্ট গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰে। প্ৰশ্নটো হ'ল এইয়ে যে, এজন অভিযুক্ত যি দৰিদ্ৰতাৰ বাবে তেওঁৰ ব্যক্তিগত স্বাধীনতাক বিপদাপন্ন কৰা কাৰাবাসৰ সম্ভাৱনাৰ সৈতে জড়িত বিচাৰত নিজৰ বাবে আইনী প্ৰতিনিধিত্ব বহন কৰিব নোৱাৰে, তেওঁ ৰাজ্যিক খৰচত বিনামূলীয়া আইনী সহায়ৰ অধিকাৰী নেকি আৰু বিনামূলীয়া আইনী সহায়ৰ বাবে আবেদন কৰাটো তেওঁৰ বাবে বাধ্যতামূলক নেকি বা বিচাৰ কৰা ন্যায়িক দণ্ডাধীশ বা সত্ৰ ন্যায়াধীশজনে তেওঁক অৱগত কৰিবলৈ বাধ্য যে, তেওঁ

বিনামূলীয়া আইনী সহায়ৰ অধিকাৰী আৰু চৰকাৰী খৰচত অধিবক্তা বিচাৰিব বিচাৰে নেকিঃ যদি, তেওঁক এনেদৰে অৱগত কৰা নহয় আৰু ফলস্বৰূপে, তেওঁ বিনামূলীয়া আইনী সহায়ৰ বাবে আবেদন নকৰে আৰু তেওঁ বিচাৰত কোনো অধিবক্তাৰ দ্বাৰা প্ৰতিনিধিত্ব কৰা নহয় আৰু শেষত বিচাৰত দোষী সাব্যস্ত হয়, তেন্তে এনেদৰে দোষী সাব্যস্তকৰণ অনিষ্ঠসাধন হ'ব লগতে বাতিলৰ যোগ্য নেকি? এই প্ৰশ্নটো অতি গুৰুত্বপূৰ্ণ কাৰণ আমাৰ জনসংখ্যাৰ প্ৰায় ৫০শতাংশ লোক দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰে আৰু প্ৰায় ৭০শতাংশ লোক নিৰক্ষৰ আৰু অশিক্ষিত-জনসাধাৰণৰ এক বহুলসংখ্যকে নাজানে যে যদি, তেওঁলোকে ফৌজদাৰী বিচাৰত আইনী প্ৰতিনিধিত্ব কৰিব নোৱাৰে, তেন্তে তেওঁলোকে চৰকাৰী খৰচত প্ৰদান কৰা বিনামূলীয়া আইনী সহায়ৰ অধিকাৰী।

এই আপীলৰ সৃষ্টি কৰা তথ্যবোৰ প্ৰাসংগিক নহয় কাৰণ, আমাৰ বিবেচনাৰ বাবে উত্থাপন কৰা প্ৰশ্নটো এক question of fact(আইনৰ প্ৰশ্ন)। কিন্তু, তথাপিও বিস্তৃত তথ্যবোৰ চমুকৈ উল্লেখ কৰিব পাৰি কিয়নো সেইবোৰৰ ভিত্তিত question of fact(আইনৰ প্ৰশ্ন) বিবেচনাৰ বাবে উত্থাপন হয়।

আপীলকাৰী আৰু আন পাঁচজন অভিযুক্তৰ বিৰুদ্ধে অৰুণাচল প্ৰদেশৰ দিবাং উপত্যকাৰ অতিৰিক্ত উপ আয়ুক্তৰ আদালতত ভাৰতীয় দণ্ডবিধিৰ ধাৰা ৩৪ৰ সৈতে ধাৰা ৫০৬ৰ অধীনত এক অপৰাধৰ বাবে অভিযোগ উত্থাপন কৰা হৈছিল যে, আপীলকাৰী আৰু আন পাঁচজন অভিযুক্তই অনিনি স্থিত কেন্দ্ৰীয় ৰাজহুৱা নিৰ্মাণ বিভাগৰ সহকাৰী অভিযন্তা- শ্ৰী এইচ. এচ্. কোহলীক তেওঁৰ দ্বাৰা প্ৰণয়ন কৰা অভিযুক্তৰ স্থানান্তৰ আদেশ বাতিল কৰিবলৈ বাধ্য কৰাৰ লক্ষ্যৰে ভাবুকি দিছিল। গোচৰটো ৱাৰেণ্ট কেচ হিচাপে

বিচাৰ কৰা হৈছিল আৰু বিচাৰত প্ৰতিনিধিৰ হৈ ৮জন সাক্ষীক পৰীক্ষা কৰা হৈছিল। আপীলকাৰীক কোনো অধিবক্তাই প্ৰতিনিধিত্ব কৰা নাছিল কাৰণ, তেওঁ দৰিদ্ৰতাৰ বাবে আইনী প্ৰতিনিধিত্ব বহন কৰিব পৰা নাছিল আৰু ফলস্বৰূপে অপৰাধী পক্ষৰ সাক্ষীসকলক জেৰা কৰিব পৰা নগ'ল। আপীলকাৰীসকলে প্ৰতিপক্ষত ৭জন সাক্ষীক পৰীক্ষা কৰিবলৈ বিচাৰিছিল কিন্তু, তেওঁলোকৰ ভিতৰত দুজনক পৰীক্ষা কৰিব পৰা নগ'ল কিয়নো সেইসময়ত তেওঁলোক বহু দূৰত আছিল আৰু তদুপৰি আদালতৰ মতে তেওঁলোক প্ৰাসংগিক সাক্ষী নাছিল। বাকী ৫জন সাক্ষীক কোনো আইনী সহায় অবিহনে আপীলকাৰীয়ে পৰীক্ষা কৰিছিল। ফলস্বৰূপ, বিচাৰৰ শেষত আন চাৰিজন অভিযুক্তক দোষমুক্ত কৰা হৈছিল যদিও, আপীলকাৰী আৰু আন এজন অভিযুক্তক ভাৰতীয় দণ্ডবিধিৰ ৫০৬ধাৰাৰ অধীনত অপৰাধৰ বাবে দোষী সাব্যস্ত কৰি, দুবছৰৰ বাবে কাৰাদণ্ডৰে দণ্ডিত কৰিছিল।

ইয়াৰ পিছত আপীলকাৰীয়ে গৌহাটী উচ্চ ন্যায়ালয়ৰ আগত আপীল দাখিল কৰিছিল। আপীলৰ সমৰ্থনত কেইবাটাও বিতৰ্কৰ আহ্বান জনোৱা হৈছিল কিন্তু, সেইবোৰ উল্লেখ কৰাৰ প্ৰয়োজন নাই, কিয়নো এটা বিবাদ বিদ্যমান যি আমাৰ মতত বিষয়টোৰ মূললৈ যায় আৰু আপীলকাৰীৰ বিৰুদ্ধে নথিভূক্ত কৰা দোষী সাব্যস্তকৰণ আৰু শাস্তিৰ ওপৰত অবৈধ প্ৰভাৱ পেলায়। সেই যুক্তিটো হৈছে যে, আপীলকাৰীক তেওঁৰ প্ৰতিৰক্ষাৰ বাবে বিনামূলীয়া আইনী সাহাৰ্য্য প্ৰদান কৰা হোৱা নাছিল আৰু সেয়েহে বিচাৰটোৰ অনিষ্টসাধন হৈছিল। উচ্চ ন্যায়ালয়ত আপীলকাৰীয়ে দাখিল কৰা আপীলত সমাৰ্থক যুক্তি উত্থাপন কৰা হৈছিল যদিও, উচ্চ ন্যায়ালয়ে এই দৃষ্টিভংগী গ্ৰহণ কৰিছিল যে, যদিও আপীলকাৰীক বিনামূলীয়া আইনী সহায় প্ৰদান কৰাটো নিঃসন্দেহে আপীলকাৰীৰ অধিকাৰ আছিল, কিন্তু, আপীলকাৰীয়ে

আইনী সহায়ৰ বাবে প্ৰাৰ্থনা কৰি বিদ্বান অতিৰিক্ত উপ-আয়ুক্তক কোনো অনুৰোধ কৰা নাছিল আৰু, যিহেতু আইনী সহায়ৰ বাবে কোনো আবেদন নকৰাৰ পৰিপ্ৰেক্ষিতত সেয়ে এই কথা ক'ব নোৱাৰি যে- "গোচৰটোৰ তথ্য আৰু পৰিস্থিতিত, আইনী সহায় প্ৰদান কৰাত বিফলতাই বিচাৰটোৰ অনিষ্টসাধন কৰিছিল"। উচ্চ ন্যায়ালয়ে এই পৰিস্থিতিত আপীলকাৰীক দোষী সাব্যস্ত কৰাটো নিশ্চিত কৰিছিল কিন্তু, তেওঁ ইতিমধ্যে প্ৰায় ৮মাহৰ বাবে কাৰাগাৰত থকাৰ পৰিপ্ৰেক্ষিতত, উচ্চ ন্যায়ালয়ে ৰায় দিছিল যে, যদি আপীলকাৰীৰ শাস্তি তেওঁ ইতিমধ্যে ভোগ কৰা দণ্ড সামৰি হ্ৰাস কৰা হয়, তেন্তে ends of justice(ন্যায়ৰ লক্ষ্য) পূৰণ কৰা হ'ব। সেই অনুসৰি আবেদনকাৰীক তাৎক্ষণিকভাৱে মুক্ত কৰাৰ নিৰ্দেশ দিয়া হৈছিল, কিন্তু যিহেতু তেওঁৰ বিৰুদ্ধে প্ৰদান কৰা দোষী সাব্যস্তকৰণৰ নিৰ্দেশ উচ্চ ন্যায়ালয়ে সমৰ্থন কৰিছিল, সেয়েহে তেওঁ এই আদালতৰ পৰা লাভ কৰা বিশেষ অনুমতিৰ সৈতে বৰ্তমানৰ আবেদনখনত অগ্ৰাধিকাৰ দিছিল।

**হুচাইনাৰা খাতুন**ৰ গোচৰ [১৯৭৯] ৩ এছ. চি. আৰ. ৫৩২-ত এই আদালতৰ সিদ্ধান্তৰ ফলস্বৰূপে এতিয়া এইকথা ভালদৰে প্ৰতিষ্ঠিত হৈছে যে, "বিনামূলীয়া আইনী সেৱাৰ অধিকাৰ হৈছে............ স্পষ্টভাৱে এক অপৰাধৰ অভিযোগত অভিযুক্ত ব্যক্তিৰ বাবে যুক্তিসঙ্গত, নিৰপেক্ষ আৰু ন্যায়সংগত প্ৰক্ৰিয়াৰ এক অত্যাৱশ্যকীয় উপাদান আৰু যি অনুচ্ছেদ ২১-ৰ নিশ্চয়তাত অন্তৰ্ভুক্ত কৰিব লাগিব। দৰিদ্ৰতা, দুৰ্বলতা বা অবৈধ পৰিস্থিতিত অধিবক্তা নিয়োগ কৰিব নোৱাৰা আৰু আইনী সেৱা লাভ কৰিব নোৱাৰা প্ৰতিজন অভিযুক্ত ব্যক্তিৰ এয়া এক সাংবিধানিক অধিকাৰ আৰু গোচৰটোৰ পৰিস্থিতি আৰু ন্যায়ৰ প্ৰয়োজনীয়তাৰ প্ৰয়োজন হ'লে অভিযুক্ত ব্যক্তিক অধিবক্তা প্ৰদান কৰাৰ বাবে ৰাজ্য চৰকাৰ দায়বদ্ধ, যদিহে নিশ্চিতভাৱে

অভিযুক্ত ব্যক্তিয়ে এনে অধিবক্তাৰ ব্যৱস্থাৰ বিৰোধিতা নকৰে।” এই আদালতে আঙুলিয়াই দিছিল যে, আদালতৰ প্ৰক্ৰিয়াৰ জৰিয়তে মুক্তি বিচৰা বন্দীৰ বাবে আইনী সেৱা উপলব্ধ হোৱাটো যুক্তিসংগত, নিৰপেক্ষ আৰু ন্যায়সংগত প্ৰক্ৰিয়াৰ এক অপৰিহাৰ্য উপাদান। ইয়াৰ পূৰ্বে এই আদালতৰ এক বিচাৰপীঠে **কে. এইচ. হস্কট বনাম মহাৰাষ্ট্ৰ ৰাজ্য**, [১৯৭৮] ৩ এছ. চি. চি. ৫৪৪ গোচৰটো একে দৃষ্টিভংগী গ্ৰহণ কৰিছিল। সেয়েহে এতিয়া এইটো নিৰ্ধাৰিত আইন হিচাপে গ্ৰহণ কৰিব পাৰি যে, ৰাজ্যিক মূল্যত বিনামূলীয়া আইনী সহায় হৈছে অপৰাধৰ অভিযোগত অভিযুক্ত এজন ব্যক্তিৰ এক মৌলিক অধিকাৰ যি তেওঁৰ জীৱন বা ব্যক্তিগত স্বাধীনতা বিপদাপন্ন কৰিব পাৰে আৰু এই মৌলিক অধিকাৰ অনুচ্ছেদ ২১-ৰ দ্বাৰা নিৰ্ধাৰিত যুক্তিসঙ্গত, নিৰপেক্ষ আৰু ন্যায়সংগত প্ৰতিশ্ৰুতিৰ প্ৰয়োজনীয়তাৰ সৈতে অন্তৰ্ভুক্ত। অৱশ্যে, এইটো স্বীকাৰ কৰিব লাগিব যে, অৰ্থনৈতিক অপৰাধ বা পতিতাবৃত্তি বা শিশু নিৰ্যাতন নিষিদ্ধ কৰা আইনৰ বিৰুদ্ধে অপৰাধৰ সৈতে জড়িত গোচৰ থাকিব পাৰে, য'ত সামাজিক ন্যায়ৰ বাবে ৰাজ্যচৰকাৰে বিনামূলীয়া আইনী সেৱা প্ৰদান নকৰিব পাৰে। এনে পৰিস্থিতিত কোনো সন্দেহ থাকিব নোৱাৰে যে, আপীলকাৰীজন ৰাজ্যিকখৰচত বিনামূলীয়া আইনী সহায়ৰ অধিকাৰী হয়, যেতিয়া তেওঁ এক অপৰাধৰ অভিযোগত অভিযুক্ত হোৱাৰ বাবে ব্যক্তিগত স্বাধীনতাৰ বিপদাপন্ন হৈছিল যি, স্পষ্টভাৱে প্ৰমাণিত হ'লে দুবছৰৰ কাৰাদণ্ড হ'ব পাৰে।

কিন্তু, প্ৰশ্নটো হ'ল যে, এই মৌলিক অধিকাৰটো আপীলকাৰীৰ বাবে আইনীভাৱে দিয়াত বাধা হ'ব পাৰে নেকি যদি, তেওঁ বিনামূলীয়া আইনী সহায়ৰ বাবে আবেদন নকৰে। অৰ্থাৎ এই মৌলিক অধিকাৰৰ প্ৰয়োগ অভিযুক্তজনে বিনামূলীয়া আইনী সহায়ৰ আবেদন কৰাৰ চৰ্তযুক্ত যাতে, তেওঁ

যদি বিনামূলীয়া আইনী সহায়ৰ বাবে আবেদন নকৰে তেন্তে বিচাৰটো তেওঁক পৰ্যাপ্ত আইনী প্ৰতিনিধিত্ব প্ৰদান নকৰাকৈ আইনীভাৱে আগবাঢ়িব পাৰে? এইটো সাধাৰণ জ্ঞান যে, গ্ৰাম্য অঞ্চলত বাস কৰা প্ৰায় ৭০শতাংশ লোক নিৰক্ষৰ আৰু আনকি সেই শতাংশতকৈও অধিক লোক আইনৰ দ্বাৰা তেওঁলোকক প্ৰদান কৰা অধিকাৰৰ বিষয়ে অৱগত নহয়। আনকি শিক্ষিত লোকসকলেও নাজানে যে, আইনৰ অধীনত তেওঁলোকৰ অধিকাৰ আৰু প্ৰাপ্য কি। আইনী সজাগতাৰ এই অভাৱে এই দেশত দৰিদ্ৰ লোকসকলৰ প্ৰতাৰণা, শোষণ আৰু অধিকাৰ আৰু লাভালাভৰ পৰা বঞ্চিত হোৱাৰ বাবে দায়ী। তেওঁলোকৰ আইনী প্ৰয়োজনীয়তাবোৰ সদায় সংকটমুখী হৈ পৰে কাৰণ, অজ্ঞতাই তেওঁলোকক আইনী সমস্যাৰ পূৰ্বানুমান কৰাত বাধা দিয়ে আৰু সময়মতে পৰামৰ্শ লগতে পৰামৰ্শৰ বাবে এগৰাকী অধিবক্তাৰ ওচৰলৈ যোৱাত বাধা দিয়ে আৰু তেওঁলোকৰ দৰিদ্ৰতাই তেওঁলোক অহাৰ সময়ত আইনী সমস্যা আৰু অসুবিধাৰ প্ৰভাৱ বৃদ্ধি কৰে। তদুপৰি, তেওঁলোকৰ অজ্ঞতা আৰু নিৰক্ষৰতাৰ বাবে, তেওঁলোকে আত্মনিৰ্ভৰশীল হ’ব নোৱাৰেঃ তেওঁলোকে আনকি নিজকে সহায় কৰিব নোৱাৰে। আইনে তেওঁলোকৰ ৰক্ষক হোৱাটো বন্ধ কৰি দিয়ে কাৰণ তেওঁলোকে নাজানে যে, তেওঁলোক আইনৰ সুৰক্ষাৰ অধিকাৰী আৰু তেওঁলোকে শোষণৰ অন্ত পেলোৱাৰ বাবে আৰু তেওঁলোকৰ অধিকাৰ লাভ কৰাৰ বাবে আইনী সেৱা কাৰ্যসূচীৰ সুবিধা ল'ব পাৰে। ফলস্বৰূপে, দৰিদ্ৰতা তেওঁলোকৰ সৈতে সম্পূৰ্ণ অসহায়তাৰ অৱস্থা হৈ পৰে। দৰিদ্ৰসকলৰ এই শোচনীয় অৱস্থাটোৱে দৰিদ্ৰ লোকসকলৰ মাজত আইনী সজাগতা সৃষ্টি কৰাটো কিছু পৰিমাণে হ্ৰাস কৰিব পাৰে। সেয়েহে সদায় আইনী সাক্ষৰতাৰ প্ৰচাৰ দেশত আইনী সাহায্য আন্দোলন কাৰ্যসূচীৰ অন্যতম প্ৰধান কাৰক হিচাপে স্বীকৃতি দিয়া হৈছে, এই পৰিস্থিতিত যদি

বিনামূলীয়া আইনী সেৱা বিচাৰিবলৈ এজন দৰিদ্ৰ অজ্ঞানী আৰু নিৰক্ষৰ অভিযুক্তৰ ওপৰত এৰি দিয়া হয় তেন্তে ই আইনী সহায়ৰ উপহাস কৰিব। আইনী সাহায্য কেৱল কাগজৰ প্ৰতিশ্ৰুতিত পৰিণত হ'ব আৰু স্বকীয় উদ্দেশ্য পূৰণ কৰাত ব্যৰ্থ হ'ব। এইটোৱেই কাৰণ যে, **খত্ৰী আৰু অন্যান্য বনাম বিহাৰ ৰাজ্য আৰু অন্যান্য**, [১৯৮১] ২ এছ. চি. আৰ. ৪০৮-ত আমি ৰায় দিছিলো যে, এজন অভিযুক্ত যিজন বিচাৰক বা সত্ৰ ন্যায়াধীশৰ সন্মুখত উপস্থিত হ’লে অভিযুক্তজনক অৱগত কৰিবলৈ বাধ্য হ'ব লাগিব যে, যদি তেওঁ দৰিদ্ৰতা বা অক্ষমতাৰ বাবে এজন অধিবক্তাক সেৱাত নিয়োজিত কৰিব নোৱাৰে, তেন্তে তেওঁ ৰাজ্যৰ খৰচত বিনামূলীয়া আইনী সেৱা লাভ কৰাৰ অধিকাৰী। আমি দুঃখিত যে, সেই ক্ষেত্ৰত য'ত অভিযুক্তসকল অজ্ঞ বন্দী আছিল ন্যায়িক দণ্ডাধীশে বাধ্যবাধকতা পালন কৰাত ব্যৰ্থ হৈছিল আৰু বন্দীসকলে কোনো আইনী প্ৰতিনিধিত্ব বিচৰা নাছিল আৰু সেয়েহে প্ৰদান কৰা হোৱা নাছিল বুলি নিজকে সন্তুষ্ট কৰিছিল। আমি সেই অনুসৰি "দেশৰ বিচাৰক আৰু সত্ৰ ন্যায়াধীশসকলক তেওঁলোকৰ সন্মুখত হাজিৰ হোৱা আৰু প্ৰতিনিধিত্ব নকৰা প্ৰতিজন অভিযুক্তক" তেওঁৰ দৰিদ্ৰতা বা দুৰ্বলতাৰ বাবে এজন অধিবক্তাৰ দ্বাৰা তেওঁ ৰাজ্যৰ খৰচত বিনামূলীয়া আইনী সেৱাৰ অধিকাৰী বুলি অৱগত কৰিবলৈ নিৰ্দেশ দিছিলো," যদিহে তেওঁ ৰাজ্যৰ দ্বাৰা প্ৰদান কৰা বিনামূলীয়া আইনী সেৱাৰ সুবিধা ল’বলৈ ইচ্ছুক নহয়। আমি দেশৰ প্ৰতিখন ৰাজ্যক এক সাধাৰণ নিৰ্দেশনাও দিছিলো" ............ দৰিদ্ৰতা, দুৰ্বলতা বা যোগাযোগ নোহোৱা পৰিস্থিতিৰ দৰে কাৰণত অধিবক্তা নিয়োজিত কৰিব নোৱাৰা অভিযুক্তক বিনামূলীয়া আইনী সেৱা প্ৰদানৰ ব্যৱস্থা কৰিবলৈ", একমাত্ৰ অৰ্হতা হ’ব লাগিব এইয়ে যে, অভিযুক্তৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰা অপৰাধটো এনে হয় যে, দোষী সাব্যস্ত হোৱাৰ

পিছত ইয়াৰ ফলত কাৰাবাসৰ শাস্তি হ’ব আৰু এনে প্ৰকৃতিৰ হয় যে, গোচৰটোৰ পৰিস্থিতি আৰু সামাজিক ন্যায়ৰ প্ৰয়োজনীয়তাৰ বাবে তেওঁক বিনামূলীয়া আইনী প্ৰতিনিধিত্ব দিয়াৰ প্ৰয়োজন। এইটো সম্ভৱ যে, যিহেতু এই আদালতৰ দ্বাৰা **খত্ৰী আৰু অন্যান্য বনাম বিহাৰ ৰাজ্য** (ওপৰত উল্লেখ কৰা) গোচৰত আইন ঘোষণাৰ পূৰ্বে বিদ্বান অতিৰিক্ত উপ-আয়ুক্তৰ আগত বিচাৰ অনুষ্ঠিত হৈছিল, সেয়েহে বিদ্বান অতিৰিক্ত উপ-আয়ুক্তই আপীলকাৰীৰ পৰা এই কথা গম পোৱা নাছিল যে, যদি তেওঁ প্ৰাসংগিক সম্পদৰ অভাৱৰ বাবে এগৰাকী অধিবক্তাক নিয়োজিত কৰিবলৈ সক্ষম নহ’লে, তেওঁ ৰাজ্যিক খৰচত বিনামূলীয়া আইনী সহায় লাভ কৰাৰ অধিকাৰী হ’ব বা তেওঁক বিনামূলীয়া আইনী সহায় বিচাৰে নেকি বুলি সোধা নাছিল। কিন্তু, এইটো আচৰিত কথা যে ১৯৮০চনৰ ১৯ডিচেম্বৰত **খত্ৰী আৰু অন্যান্য বনাম বিহাৰ আৰু অন্যান্য**(ওপৰত উল্লেখ কৰা)ত আইনৰ ঘোষণা কৰাৰ পিছতো সেই গোচৰত সিদ্ধান্ত প্ৰদান কৰাৰ সময়ত উচ্চ ন্যায়ালয়ে এই দৃষ্টিভংগী গ্ৰহণ কৰাত অটল আছিল যে, যিহেতু আপীলকাৰীয়ে বিনামূলীয়া আইনী সহায়ৰ বাবে আবেদন কৰা নাছিল, সেয়েহে তেওঁক ৰাজ্যিক খৰচত আইনী প্ৰতিনিধিত্ব প্ৰদান নকৰাত কোনো অসাংবিধা ানিকতা নাছিল। এইটো স্পষ্ট যে, বৰ্তমানৰ গোচৰটোত বিদ্বান অতিৰিক্ত উপ-আয়ুক্তজনে আপীলকাৰীক জনোৱা নাছিল যে, তেওঁ বিনামূলীয়া আইনী সহায়ৰ অধিকাৰী আছিল বা তেওঁ আপীলকাৰীৰ পৰা ৰাজ্যিক খৰছত তেওঁলোকক এজন অধিবক্তা প্ৰদান কৰাটো বিচাৰিছিল নেকি বুলি সোধা নাছিল। ফলস্বৰূপে, আপীলকাৰী অধিবক্তাৰ দ্বাৰা প্ৰতিনিধিত্ববিহীন হৈ আছিল আৰু বিচাৰৰ ফলত অৱশেষত তেওঁক দোষী সাব্যস্ত কৰা হৈছিল। যি স্পষ্টভাৱে ২১ নং অনুচ্ছেদৰ অধীনত আপীলকাৰীৰ মৌলিক অধিকাৰৰ উলংঘন আছিল আৰু

সেই অনুসৰি এক মাৰাত্মক সাংবিধানিক দুৰ্বলতাৰ বাবে বিচাৰ প্ৰক্ৰিয়াটোৰ অনিষ্টসাধন কৰিব লাগিব লগতে আপীলকাৰীৰ বিৰুদ্ধে নথিভুক্ত কৰা দোষী সাব্যস্তকৰণ আৰু শাস্তি বাতিল কৰিব লাগিব।

আপীলকাৰীয়ে দাবী কৰিছিল যে, যদি তেওঁৰ বিৰুদ্ধে নথিভুক্ত কৰা দোষী সাব্যস্তকৰণ আৰু শাস্তি বাতিল কৰা হয়, তেন্তে বিদ্বান অতিৰিক্ত উপ-আয়ুক্তই দোষী সাব্যস্ত কৰাৰ ভিত্তিত আপীলকাৰীক চাকৰিৰ পৰা বৰ্খাস্ত কৰা নিৰ্দেশটোও বাতিল কৰিব লাগিব আৰু তেওঁক পাবলগীয়া back wages (পূৰ্বৰ বকেয়া সহ) চাকৰিত পুনৰ নিযুক্তি দিব লাগিব। এতিয়া এইটো সঁচা যে, আপীলকাৰীক ফৌজদাৰী অপৰাধত দোষী সাব্যস্ত হোৱাৰ বাবে তদন্ত নকৰাকৈ চাকৰিৰ পৰা বৰ্খাস্ত কৰা হৈছিল আৰু যিহেতু আপীলকাৰীৰ দোষী সাব্যস্তকৰণ আমাৰ দ্বাৰা আঁতৰাই ৰখা হৈছে, বৰ্খাস্ত কৰাৰ আদেশো খাৰিজ কৰিব লাগিব আৰু আপীলকাৰীক back wages (পূৰ্বৰ বকেয়া সহ)ৰ সৈতে সেৱাত পুনৰ সংস্থাপন কৰিব লাগিব। কিন্তু, আমি আপীলকাৰীসকলৰ দোষী সাব্যস্তকৰণ বাতিল কৰাৰ ফলস্বৰূপে আপীলকাৰীক ৰাজ্যিক খৰচত বিনামূলীয়া আইনী সহায় প্ৰদান কৰাৰ পিছত আইন অনুসৰি পুনৰ বিচাৰ কৰিব লাগিব আৰু ইয়াৰ অৰ্থ হ'ব যে, আপীলকাৰী দোষী সাব্যস্ত হোৱা আৰু কাৰাবাসৰ আশংকাৰ সন্মুখীন হৈ থাকিব আৰু অভিযোগ কৰা অপৰাধটো অৱশেষত, তেওঁৰ বিৰুদ্ধে প্ৰমাণিত হ'ব পাৰে আৰু তেওঁ কাৰাগাৰত থাকিবলগীয়া হ'ব পাৰে, লগতে তেওঁলোকৰ সেৱাও হেৰুৱাব পাৰে বুলি সম্ভাৱনা নাকচ কৰিব নোৱাৰি। সেয়েহে আমি অনুভৱ কৰিছিলো যে, ই কেৱল ন্যায়ৰ লক্ষ্য পূৰণ কৰাই নহয়, বৰঞ্চ আপীলকাৰীৰ স্বাৰ্থতো হ'ব যে, তেওঁৰ বিৰুদ্ধে কোনো নতুন বিচাৰ অনুষ্ঠিত কৰা উচিত নহয় আৰু তেওঁক চাকৰিত পুনৰ নিযুক্তি দিয়া

উচিত কিন্তু back wages (পূৰ্বৰ বকেয়া) অবিহনে। আমি সেই অনুসৰি নিৰ্দেশ দিওঁ যে, আপীলকাৰীক সেৱাত পুনৰ নিযুক্তি দিয়া হ'ব কিন্তু, তেওঁ কোনো ধৰণৰ বেতন দাবী কৰাৰ অধিকাৰী নহ'ব আৰু তেওঁৰ বিৰুদ্ধে কোনো নতুন বিচাৰ অনুষ্ঠিত কৰা নহ'ব। এই চৰ্তবোৰত আপীলটো নিষ্পত্তি কৰা হ'ব।

এম. এল. এ.

আপীল অনুমোদিত।

---------------------------------------------

অনুবাদ: ড. অৰ্ছনা দেৱী, কনিষ্ঠবৰ্গ অনুবাদক
অনুবাদ শাখা, গৌহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation.

"স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বুলি বিবেচিত হ'ব।"